# ৰাষ্ট্ৰসংঘ ঃ গঠন, জাতিসংঘৰ লগত পাৰ্থক্য, ৰাষ্ট্ৰসংঘৰ শান্তি প্ৰতিষ্ঠা আৰু অন্যান্য দিশত কাৰ্যাৱলী

# (UNO- Structure, difference with the League of Nations, Peace-keeping and other activities of UNO)

## ❑ ইউ এন অ'ৰ আৰম্ভণী (Emergence of the United Nations Organisation, UNO) ঃ

দ্বিতীয় বিশ্বযুদ্ধ চলি থকাৰ সময়তে বিশ্বৰ সকলোবোৰ ৰাষ্ট্ৰই এটা শক্তিশালী আন্তৰ্জাতিক অনুষ্ঠানৰ আৱশ্যকতা অনুভৱ কৰিছিল। এনে অনুষ্ঠান যাতে পূৰ্বৰ জাতিসংঘতকৈ বহুত গুণে শক্তিশালী হয় তাৰবাবে সকলো ৰাষ্ট্ৰনেতাই একমত পোষণ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ ধ্বংসলীলাই বিশ্বৰ সকলো লোকৰ মনত যুদ্ধ বিৰোধী জনমত পুনৰ সক্ৰিয় কৰি তুলিছিল। সেয়েহে বিশ্ব শান্তি প্ৰতিষ্ঠা আৰু সুৰক্ষা প্ৰদানৰ অৰ্থে ৰাষ্ট্ৰসংঘ বা ইউ এন অ' (United Nations Organisation, UNO)ৰ প্ৰতিষ্ঠা হৈছিল। ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠাৰ যো-জা দ্বিতীয় বিশ্বযুদ্ধ চলি থকা সময়তে আৰম্ভ হৈছিল। ৰাষ্ট্ৰসংঘৰ প্ৰধান পদক্ষেপসমূহ আছিল—

**লণ্ডন ঘোষণাপত্ৰ (London Declaration) ঃ** ১৯৪১ চনৰ জুন মাহত লণ্ডনত গ্ৰেট ব্ৰিটেইন, কানাডা, নিউজিলেণ্ড, অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ প্ৰতিনিধিবৰ্গ এক সন্মিলনত মিলিত হৈছিল। এই সন্মিলনত এই সকলো ৰাষ্ট্ৰৰ প্ৰতিনিধিসকলে বিশ্ব শান্তি তথা সুৰক্ষাৰ বাবে এটা আন্তঃৰাষ্ট্ৰীয় সংগঠন গঠন কৰাৰ



Scanned with CamScanner

প্ৰস্তাৱ গ্ৰহণ কৰিছিল। এই প্ৰস্তাৱ 'লণ্ডন' ঘোষণাপত্ৰ বা 'লণ্ডন ডিক্লেৰেশ্বন' হিচাপে জনা যায়।

● **আটলাণ্টিক চনদ (Atlantic Charter) ঃ** ১৯৪১ চনৰ ১৪ আগষ্টত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্ট আৰু ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী উইনষ্টল চাৰ্চিল বিশ্ব শান্তিৰ সন্দৰ্ভত আলোচনা কৰিবলৈ মিলিত হৈছিল। এই দুয়োজন শীৰ্ষ নেতা আটলাণ্টিক মহাসাগৰৰ বুকুত 'প্ৰিন্স অব্ ৱেলছ' নামৰ যুদ্ধ জাহাজখনৰ আলোচনা কক্ষত মিলিত হৈছিল। বহুসময় ধৰি চলা বিতং আলোচনাৰ অন্তত দুয়োজন লোকে বিশ্বশান্তি সুৰক্ষাৰ বাবে আঠদফীয়া চনদ ঘোষণা কৰিছিল। এই ঘোষণা 'আটলাণ্টিক চনদ' হিচাপে জনা যায়। এই চনদৰ মূল লক্ষ্য আছিল—

১। আন্তৰ্জাতিক শান্তি সুৰক্ষা বজাই ৰখা।

২। আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সহযোগিতা বিকশিত কৰা।

৩। সম-অধিকাৰ আৰু আত্ম নিয়ন্ত্ৰণৰ অধিকাৰক স্বীকৃতি দি বিশ্বৰ দেশ তথা জাতিসমূহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰা, আৰু

৪। বিশ্ববাসীৰ মৌলিক অধিকাৰ তথা মানৱীয় অধিকাৰক স্বীকৃতি দিয়া।

এই লক্ষ্যত উপনীত হ'বৰ বাবে এই চনদত আঠটা ঘোষণা কৰা হৈছিল—

১। এই চনদৰ স্বাক্ষৰকাৰীসকলে বিশ্ব শান্তি অটুট ৰখাৰ চেষ্টা সদায় কৰিব আৰু সকলো ৰাষ্ট্ৰৰ সমমৰ্যাদা আৰু সাৰ্বভৌমত্বক স্বীকৃতি দিব।

২। সকলো বিবাদৰ মীমাংসা শান্তিপূৰ্ণ উপায়েৰে কৰিব।

৩। যদি কোনো ৰাষ্ট্ৰই কোনো সন্ধি উলংঘা কৰি যুদ্ধত অৱতীৰ্ণ হয়, তেনে ৰাষ্ট্ৰক শাস্তি বিহিবলৈ আন্তঃৰাষ্ট্ৰীয় সংঘক সহায় কৰিব।

৪। এখন ৰাষ্ট্ৰৰ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত সেই নিৰ্দিষ্ট ৰাষ্ট্ৰখনৰ জনমতক সন্মান জনাব।

৫। প্ৰতিখন ৰাষ্ট্ৰৰ নিজৰ সংবিধান সেই ৰাষ্ট্ৰৰ জনমতৰ ভিত্তিত ৰচনা কৰাৰ অধিকাৰ থাকিব।

৬। আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ ক্ষেত্ৰত সকলো দেশৰ সম-অধিকাৰ স্বীকৃতি দিয়া হ'ব।

৭। নাৎসী জাৰ্মানীৰ পতনৰ কাৰণে আৰু পতনৰ পাছত বিশ্বক শংকা আৰু অভাৱ-অনাটনৰ পৰা ৰক্ষা কৰিবলৈ সকলো ৰাষ্ট্ৰই চেষ্টা চলাব।

৮। বিশ্ব শান্তি সুৰক্ষাৰ স্বাৰ্থত প্ৰত্যেক ৰাষ্ট্ৰই নিজ নিজ অস্ত্ৰভাণ্ডাৰ প্ৰয়োজনীয়ভাৱে সীমিত কৰিব।



● **ৱাশ্বিংটন ঘোষণা (Washington Declaration) ঃ** ৱাশ্বিংটন ঘোষণাখন ১৯৪২ চনৰ ১ জানুৱাৰীত কৰা হৈছিল। সেইদিনা বিশ্বৰ ২৬ খন ৰাষ্ট্ৰৰ প্ৰতিনিধিবৰ্গ আমেৰিকাৰ ৱাশ্বিংটন চহৰত উপস্থিত হৈ আটলাণ্টিক চনদত ঘোষণা কৰা নীতিসমূহক স্বীকৃতি দিছিল। এই ঘোষণা 'সন্মিলিত ৰাষ্ট্ৰপুঞ্জৰ ঘোষণা (United Nations Declaration) হিচাপেও জনা যায়।

● **মস্কো সন্মিলন (Masco Conference) ঃ** ১৯৪৩ চনত গ্ৰেট ব্ৰিটেইন, আমেৰিকা, ছোভিয়েট ৰাছিয়া আৰু চীনৰ বৈদেশিক মন্ত্ৰীসকলৰ এখন সন্মিলন আহ্বান কৰা হৈছিল। মস্কোত বহা এই সন্মিলনে বিশ্ব শান্তি সুৰক্ষাৰ বাবে এটা আন্তঃৰাষ্ট্ৰীয় সংগঠন গঢ়ি তুলিবলৈ আহ্বান জনাইছিল। তদুপৰি এই সংগঠন সকলো ৰাষ্ট্ৰৰ সমমৰ্যাদাৰ ভেটিত হ'ব লাগে বুলিও মতপোষণ কৰিছিল।

● **ডাম্বাৰটʼন ওকছ সন্মিলন (Dumberton Oaks Conference) ঃ** ১৯৪৪ চনৰ ২১ আগষ্টৰ পৰা ৭ আগষ্টলৈ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ডাম্বাৰটন ওকছ নামৰ প্ৰসাদত অন্য এখন সন্মিলন আহ্বান কৰা হৈছিল। আমৰিকা, গ্ৰেট ব্ৰিটেইন, ছোভিয়েট ৰাছিয়া আৰু চীনৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিছিল। এই সন্মিলনে বিশ্ব শান্তি সুৰক্ষাৰ বাবে ৰাষ্ট্ৰসংঘ নামৰ এক আন্তঃৰাষ্ট্ৰীয় সংঘ স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই অনুষ্ঠান স্থাপনৰ বাবে এখন আঁচনিৰ খচৰাও প্ৰস্তুত কৰি উলিয়াইছিল।

এই সন্মিলনৰ প্ৰধান সিদ্ধান্তসমূহ আছিল—

১। যুদ্ধৰ অন্তত আন্তঃৰাষ্ট্ৰীয় সংগঠন এটা গঠন কৰা হ'ব।

২। বিশ্বৰ শান্তিকামী যিকোনো দেশ এই সংগঠনৰ সদস্য হ'ব পাৰে।

৩। এই আন্তঃৰাষ্ট্ৰীয় সংগঠনটোৰ সু-পৰিচালনাৰ বাবে সাধাৰণ সভা, নিৰাপত্তা পৰিষদ, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ, আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয় আৰু সচিবালয় প্ৰতিষ্ঠা কৰা হ'ব।

৪। এই সংগঠনৰ নিৰাপত্তা পৰিষদৰ সদস্যৰ সংখ্যা হ'ব এঘাৰজন। ইয়াৰে ইংলেণ্ড, আমেৰিকা, ৰাছিয়া, ফ্ৰান্স আৰু চীনদেশ স্থায়ী সদস্য হ'ব। অন্য ছখন দেশক অস্থায়ী সদস্য হিচাপে দুবছৰৰ কাৰণে নিৰ্বাচিত কৰা হ'ব।

● **য়াল্টা সন্মিলন (Yalta Conference) ঃ** ১৯৪৫ চনৰ ৪ ফেব্ৰুৱাৰীৰ পৰা ১২ ফেব্ৰুৱাৰীলৈ য়াল্টাত অন্য এখন সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্ট, ছোভিয়েট ৰাছিয়াৰ প্ৰধানমন্ত্ৰী ষ্টেলিন আৰু ব্ৰিটিছ

Scanned with CamScanner

প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে অংশগ্ৰহণ কৰিছিল। এই সন্মিলনতেই ৰাষ্ট্ৰসংঘ গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই সংগঠনৰ কাৰ্যাৱলী সম্পৰ্কেও তেওঁলোকে আলোচনা কৰিছিল।

এই সন্মিলনৰ প্ৰধান সিদ্ধান্তসমূহ আছিল—

১। ৰাষ্ট্ৰসংঘৰ চনদ ৰচনাৰ উদ্দেশ্যে ১৯৪৫ চনৰ ২৫ এপ্ৰিলত ছানফ্ৰান্সিছকোত এখন সন্মিলন অনুষ্ঠিত কৰা হ'ব।

২। নিৰাপত্তা পৰিষদৰ সকলো সদস্যৰ এটাকৈ ভোট থাকিব।

৩। নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যসকলৰ ভেট' ক্ষমতা থাকিব।

● **ছানফ্ৰান্সিছকো সন্মিলন (Sun Fransisco Conference) ঃ** ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱ বাস্তৱত ৰূপায়িত কৰিবৰ বাবে ছানফ্ৰান্সিছকো চহৰত ১৯৪৫ চনৰ ২৫ এপ্ৰিলৰ পৰা ২৬ জুনলৈ দুমাহজোৰা এক বৈঠক বহিছিল। এই বৈঠকত বিশ্বৰ একাৱন্নখন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল। এই দুমাহজোৰা আলোচনাৰ অন্তত এই প্ৰতিনিধিসকলৰ সন্মিলিত ৰাষ্ট্ৰসংঘ (United Nations Organisation, UNO) এখন চনদ প্ৰস্তুত কৰি উলিয়ায়। সকলো প্ৰতিনিধিয়ে স্বাক্ষৰ কৰাৰ পাছত ১৯৪৫ চনৰ ২৪ অক্টোবৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ চনদ কাৰ্যকৰী কৰা হয় আৰু সেইদিনাই ৰাষ্ট্ৰসংঘৰ আনুষ্ঠানিক উদ্বোধন কৰা হয়।

প্ৰথমে পঞ্চাশখন দেশৰ প্ৰতিনিধিয়ে এই সন্মিলতি যোগদান কৰিছিল। প্ৰায় দুমাহজোৰা আলোচনাৰ অন্তত এই প্ৰতিনিধিবৰ্গই সন্মিলিত ৰাষ্ট্ৰপুঞ্জ বা ৰাষ্ট্ৰসংঘৰ এখন চনদ প্ৰস্তুত কৰি উলিয়ায়। ১৯৪৫ চনৰ ২৬ জুনত বিশ্বৰ পঞ্চাশখন দেশে স্বাক্ষৰ কৰা এই চনদখনত ১৫ অক্টোবৰ তাৰিখে পোলেণ্ডেও স্বাক্ষৰ কৰে। ইয়াৰ ফলত ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠাৰ চনদত স্বাক্ষৰকাৰী দেশৰ সংখ্যা একাৱন্নখনলৈ বৃদ্ধি পায়। এই চনদত এটা প্ৰস্তাৱনা আৰু এশ এঘাৰটা অনুচ্ছেদ আছে।

**ৰাষ্ট্ৰসংঘৰ উদ্দেশ্য (Aims of UNO) ঃ** সন্মিলিত ৰাষ্ট্ৰসংঘৰ চনদৰ প্ৰথম অনুচ্ছেদত ৰাষ্ট্ৰসংঘৰ মূল চাৰিটা উদ্দেশ্য উল্লেখ কৰা আছিল। এই উদ্দেশ্যসমূহ হ'ল—

১। বিশ্ব শান্তি স্থাপন কৰা আৰু মানুহৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰা।

২। সামূহিক প্ৰচেষ্টাৰে আক্ৰমণাত্মক প্ৰচেষ্টা ৰোধ কৰা আৰু শান্তিপূৰ্ণ উপায়েৰে সকলো বিবাদৰ মীমাংসা কৰা।

৩। সকলো গোষ্ঠী আৰু শ্ৰেণীৰ লোকৰ সন্মান, অধিকাৰ নিশ্চিত কৰা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দিয়া।



৪। আৰ্থিক, সামাজিক, সাংস্কৃতিক আৰু মানুহৰ অধিকাৰ সম্পৰ্কীয় সমস্যাসমূহ সমাধানত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা গঢ়ি তোলা।

ৰাষ্ট্ৰসংঘৰ চনদৰ দ্বিতীয় অনুচ্ছেদত মুল সাতটা নীতি উল্লেখ কৰা আছে। এই নীতি সাতটা হ'ল—

১। সকলো ৰাষ্ট্ৰক সাৰ্বভৌমত্বৰ ভিত্তিত সমমৰ্যাদা প্ৰদান।

২। প্ৰতিখন সদস্য ৰাষ্ট্ৰই চনদৰ চৰ্তবোৰ বাধ্যতামূলকভাৱে মানি লোৱা।

৩। সকলো সদস্য ৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় বিবাদৰ শান্তিপূৰ্ণ উপায়েৰে মীমাংসা কৰাৰ প্ৰতি দায়বদ্ধ থকা।

৪। প্ৰতিখন সদস্য ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ অখণ্ড তথা সাৰ্বভৌমত্বক বিঘ্নিত কৰাৰ পৰা বিৰত থকা।

৫। প্ৰয়োজন অনুসৰি ৰাষ্ট্ৰসংঘক সকলো সদস্য ৰাষ্ট্ৰই সকলো প্ৰকাৰ সহযোগিতা আগবঢ়োৱা।

৬। সদস্য হিচাপে নথকা কিন্তু ৰাষ্ট্ৰসংঘৰ নীতি-আদৰ্শক সমৰ্থন কৰা ৰাষ্ট্ৰৰ শান্তি সুৰক্ষাৰ প্ৰশ্নত তেনে ৰাষ্ট্ৰৰ অনুৰোধমৰ্মে ৰাষ্ট্ৰসংঘই সহায় কৰা।

৭। কোনো ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত ৰাষ্ট্ৰসংঘই হস্তক্ষেপ নকৰিব।

**ৰাষ্ট্ৰসংঘৰ কাৰ্যালয় আৰু প্ৰতীক (Office and Symbol of UNO) ঃ** সন্মিলিত ৰাষ্ট্ৰসংঘৰ প্ৰধান কাৰ্যালয় আমেৰিকাৰ নিউয়ৰ্ক চহৰত স্থাপন কৰা হয়। ইউৰোপীয় কাৰ্যালয় ছুইজাৰলেণ্ড চহৰত স্থাপন কৰা হয়। তদুপৰি বিশ্বৰ বিভিন্ন দেশত ৰাষ্ট্ৰসংঘৰ আঞ্চলিক সেৱাকেন্দ্ৰ স্থাপন কৰা হয়।

ৰাষ্ট্ৰসংঘৰ পতাকাখন সেউজীয়া ৰঙৰ। ইয়াৰ সোমাজত পৃথিৱীৰ এখন গোলকী মানচিত্ৰ আছে আৰু এই মানচিত্ৰৰ দুয়োফালে দুটা জলফাই গছৰ ঠাল আছে। ৰাষ্ট্ৰসংঘৰ স্বীকৃতিপ্ৰাপ্ত ভাষা ছটা— ইংৰাজী, ফৰাচী, ৰুছ, স্পেইন, চীনা আৰু আৰবী ভাষা।

● **ৰাষ্ট্ৰসংঘৰ সদস্যপদ (Members of the UNO) ঃ** ৰাষ্ট্ৰসংঘৰ চনদৰ দ্বিতীয় অধ্যায়ৰ অন্তৰ্গত অনুচ্ছেদ ৩ৰ পৰা ৬ লৈ ৰাষ্ট্ৰসংঘৰ সদস্য পদৰ বিষয়ে উল্লেখ কৰা হৈছে। এই চনদৰ ৩নং অনুচ্ছেদ অনুসৰি এই চনদ বলৱৎ কৰাৰ পূৰ্বে যিবোৰ দেশে অনুমোদন জনাইছিল, সেই দেশবোৰক ৰাষ্ট্ৰসংঘৰ প্ৰাৰম্ভিক সদস্য (Original members) হিচাপে গণ্য কৰা হৈছিল। সেইমতে এই চনদত প্ৰথম চহী কৰা একাৱন্ন দেশক 'চাৰ্টাৰ্ড মেম্বাৰ্ছ" (Chartar Members) অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ চনদত প্ৰথম চহী কৰোতা সভ্য হিচাপে স্বীকৃতি দিয়া হৈছিল। ৰাষ্ট্ৰসংঘৰ নতুন সদস্যপদ সুৰক্ষা পৰিষদৰ অনুমোদনক্ৰমে সাধাৰণ সভাত আলোচনা কৰাৰ অন্ততহে দিয়া হয়।

Scanned with CamScanner

ৰাষ্ট্ৰসংঘৰ সদস্যসকলে শান্তিপূৰ্ণ নীতি গ্ৰহণ কৰিবলৈ আৰু চনদৰ নীতি আৰু দায়িত্বসমূহ মানি চলিবলৈ সন্মতি দিব লাগে। পাঁচখন ৰাষ্ট্ৰক ৰাষ্ট্ৰসংঘৰ স্থায়ী সদস্য হিচাপে গণ্য কৰা হৈছিল আৰু তেওঁলোকৰ 'ভেট' (Veto) প্ৰয়োগ কৰিব পৰা ক্ষমতা আছিল। এই পাঁচখন ৰাষ্ট্ৰ হ'ল আমেৰিকা, ব্ৰিটেইন, ফ্ৰান্স, ছোভিয়েট ইউনিয়ন আৰু চীন।

আনহাতে প্ৰয়োজনসাপেক্ষে ৰাষ্ট্ৰসংঘৰ নীতি উলংঘা কৰা সদস্যৰাষ্ট্ৰক সদস্যপদৰ পৰা বহিষ্কাৰ কৰি পৰা কথাও এই চনদত উল্লেখ আছে। কোনো ৰাষ্ট্ৰৰ বিপক্ষে নিৰাপত্তা পৰিষদে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিলে নিৰাপত্তা পৰিষদৰ পৰামৰ্শমৰ্মে তেনে সদস্যৰাষ্ট্ৰৰ সদস্যপদ বাতিল কৰিব পাৰে। অৱশ্যে তেনে সুবিধা পুনৰ উদ্ধাৰৰো ব্যৱস্থা ৰখা হৈছে।

## ❑ ৰাষ্ট্ৰসংঘৰ গঠন প্ৰণালী (Structure of the UNO) ঃ

**ৰাষ্ট্ৰসংঘ মূলত ঃ** ছটা অংগ বা ব্যৱস্থাপিকক লৈ গঠন হৈছে—

১। সাধাৰণ সভা (General Assembly)
২। নিৰাপত্তা পৰিষদ (Security Council)
৩। আৰ্থিক আৰু সামাজিক পৰিষদ (Economic and Social Council)
৪। ন্যাসৰক্ষী পৰিষদ (Trusteship Council)
৫। আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয় (International Court of Justice) আৰু
৬। সচিবালয় (Secretariate)।

ওপৰোক্ত সাংগঠনিক প্ৰক্ৰিয়াৰ দ্বাৰা ৰাষ্ট্ৰসংঘৰ সকলো কাৰ্য পৰিচালনা কৰা হয়। সন্মিলিত ৰাষ্ট্ৰসংঘই বিভিন্ন সংগঠন, পৰিষদ সমিতি আদিৰ জৰিয়তে বিশ্বৰ বিভিন্ন অংশত আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক, জনস্বাস্থ্য, খাদ্য আদি খণ্ডত জনকল্যাণমূলক তথা উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ প্ৰধান উদ্দেশ্য হৈছে বিশ্বশান্তি আৰু প্ৰগতি।

### ১। সাধাৰণ সভা (General Assembly) ঃ

ৰাষ্ট্ৰসংঘৰ এক প্ৰধান অংগ হ'ল সাধাৰণ সভা। এই সাধাৰণ সভাক ৰাষ্ট্ৰসংঘৰ অধীনৰ সংসদ হিচাপে গণ্য কৰিব পাৰি। ৰাষ্ট্ৰসংঘৰ অধীনৰ সকলো দেশৰ সদস্যসকলক লৈ এই সাধাৰণ পৰিষদ গঠন কৰা হয়। সাধাৰণ সভালৈ প্ৰতিখন সদস্যৰাষ্ট্ৰই সৰ্বোচ্চ পাঁচজন প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰে। সাধাৰণ সভাৰ অধিৱেশন নিয়মিতভাৱে বছৰত এবাৰ অনুষ্ঠিত হয়। প্ৰতি বছৰৰ ছেপ্টেম্বৰ মাহৰ তৃতীয় মঙলবাৰে



সাধাৰণ সভা অনুষ্ঠিত হয়। এই সভাৰ কাম-কাজ চলাবৰ বাবে এজন সভাপতি আৰু সাতজন উপ-সভাপতি নিৰ্বাচন কৰা হয়। পাছলৈ উপ-সভাপতিৰ সংখ্যা তেৰজনলৈ বৃদ্ধি পায়। সাধাৰণ সভাৰ সংখ্যাগৰিষ্ঠ সদস্যৰ মত অথবা নিৰাপত্তা পৰিষদৰ অনুৰোধমৰ্মে বিশেষ সাধাৰণ সভা বহাৰো ব্যৱস্থা আছে। সাধাৰণ সভাত প্ৰতিখন দেশৰ এটাকৈ ভোটদান ক্ষমতা থাকে। বিশ্ব শান্তি আৰু প্ৰতিৰক্ষাৰ ওপৰত যিকোনো কথা এই সাধাৰণ সভাত আলোচনা কৰা হয়। সাধাৰণতে সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থনৰ দ্বাৰা যিকোনো প্ৰস্তাৱ গৃহীত হয়। বিশেষ পৰিস্থিতিত দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা এই সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

সাধাৰণ সভাৰ কাৰ্যালয় নিউয়ৰ্ক চহৰত আছে। সাধাৰণ সভা প্ৰধানতঃ আলোচনা আৰু পৰামৰ্শদানৰ মঞ্চ। সাধাৰণ সভাৰ ক্ষমতাত বহুক্ষেত্ৰত সীমিত দেখা যায়। নিৰাপত্তা পৰিষদক অৱগত নকৰাকৈ সাধাৰণ সভাই কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। তদুপৰি নিৰাপত্তা পৰিষদে ইতিপূৰ্বে লোৱা ব্যৱস্থাৰ ওপৰত সাধাৰণ সভাই পৰামৰ্শ আগবঢ়াব নোৱাৰে।

## ❑ সাধাৰণ সভাৰ ক্ষমতা আৰু কাৰ্যাৱলী (Powers and Functions of General Assembly) ঃ

সাধাৰণ সভাৰ বিভিন্ন ক্ষমতা আছে আৰু এই ক্ষমতাৰ জৰিয়তে বিভিন্ন কাৰ্যাৱলী সম্পন্ন কৰে। সাধাৰণ সভাৰ এই ক্ষমতা আৰু কাৰ্যাৱলীক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

ক) আলোচনা কৰা আৰু পৰামৰ্শদান কাৰ্য (Deliberative and Advisory function)
খ) বিধায়িনী ক্ষমতা (Legislative function)
গ) পৰ্যবেক্ষণ ক্ষমতা (Supervisory function)
ঘ) অৰ্থনৈতিক ক্ষমতা (Financial Function)
ঙ) নিৰ্বাচন সম্পৰ্কীয় ক্ষমতা (Elecoral function)
চ) ৰাষ্ট্ৰসংঘৰ চনদ সংশোধনৰ ক্ষমতা (Power of Amendment of the charter)

**(ক) আলোচনা আৰু পৰামৰ্শদান কাৰ্য (Diliberative and Advisory fuction) ঃ** ৰাষ্ট্ৰসংঘৰ চনদত সন্নিৱিষ্ট যিকোনো বিষয়ৰ ওপৰত সাধাৰণ সভাই আলোচনা কৰিব পাৰে। সাধাৰণ সভাই সকলোবোৰ ব্যৱস্থাপিকাৰ পৰা তথ্য সংগ্ৰহ কৰি তাৰ ওপৰত আলোচনা আগবঢ়াব পাৰে। সাধাৰণ সভাত দুই-তৃতীয়াংশ ভোটৰ

Scanned with CamScanner

দ্বাৰা যিকোনো প্ৰস্তাৱ গৃহীত হয়। আলোচনাৰ অন্তত সাধাৰণ সভাই পৰামৰ্শ প্ৰদান কৰিব পাৰে। সাধাৰণ সভাৰ আলোচনা আৰু পৰামৰ্শ কাৰ্যাৱলীক চাৰিধৰণেৰে ভাগ কৰিব পাৰি—

(ক) আলোচনা (Discussion)

(খ) দৃষ্টি আকৰ্ষণ (Calling attention)

(গ) অনুমোদন (Recomendation) আৰু

(ঘ) প্ৰাথমিক অধ্যয়ন (Initial studies)।

সাধাৰণ সভাত আলোচনা হোৱা প্ৰধান বিষয়সমূহ হ'ল আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা, নিৰাপত্তা পৰিষদলৈ অস্থায়ী সদস্য প্ৰেৰণ, অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ নিৰ্বাচন, ন্যাসৰক্ষী পৰিষদৰ সদস্য নিৰ্বাচন, নতুন সদস্য গ্ৰহণ, কোনো দোষীক বহিষ্কৰণ, বাজেট, আন্তৰ্জাতিক আইন সম্পৰ্কীয় আলোচনা ইত্যাদি।

আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ ওপৰত হোৱা যিকোনো পৰিস্থিতিৰ ওপৰত সাধাৰণ সভাত আলোচনা কৰি সাধাৰণ সভাই এই বিষয়ে নিৰাপত্তা পৰিষদৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

আন্তঃৰাষ্ট্ৰীয় বন্ধুত্বপূৰ্ণ সহাৱস্থানৰ বাবে গ্ৰহণ কৰা যিকোনো প্ৰস্তাৱত সাধাৰণ সভাই অনুমোদন জনাব পাৰে। ৰাষ্ট্ৰসংঘৰ আন আন অংগবোৰে দাখিল কৰা প্ৰতিবেদন সাধাৰণ সভাত আলোচনা হোৱাৰ পাছত সাধাৰণ সভাই সেই প্ৰতিবেদনসমূহ গৃহীত কৰে। আনহাতে, ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধানে প্ৰস্তুত কৰি উলিওৱা বাজেট গৃহীত হ'বৰ বাবে সাধাৰণ সভাই অনুমোদন জনাব লাগে।

সাধাৰণ সভাই তলৰ বিষয়সমূহৰ ওপৰত প্ৰাথমিক অধ্যয়ন কৰিব পাৰে—

(ক) ৰাজনৈতিক ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বৃদ্ধি আৰু আন্তঃৰাষ্ট্ৰীয় আইন প্ৰণয়নৰ ক্ষেত্ৰত উৎসাহ যোগোৱা বিষয়ক কাৰ্য।

(খ) আৰ্থিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু স্বাস্থ্য সম্পৰ্কীয় দিশত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বৃদ্ধি। জাতি-ধৰ্ম-বৰ্ণ-ভাষা- লিংগ নিৰ্বিশেষে সকলোৰে মানৱ অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰা।

অৱশ্যে সাধাৰণ সভাই যিকোনো বিষয়ৰ আলোচনা কৰি কেৱল মাত্ৰ পৰামৰ্শহে আগবঢ়াব পাৰে। এই পৰামৰ্শৰ ওপৰত কোনোধৰণৰ আইনগত ব্যৱস্থা সাধাৰণ সভাই ল'ব নোৱাৰে। তদুপৰি কোনো ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ৰ ওপৰত সাধাৰণ সভাই হস্তক্ষেপ কৰিব নোৱাৰে।



**(খ) বিধায়িনী ক্ষমতা (Legislative function) ঃ** ৰাষ্ট্ৰসংঘৰ চনদত সাধাৰণ সভাক কোনোধৰণৰ বিধায়িনী ক্ষমতা দিয়া হোৱা নাই। তথাপি প্ৰয়োজন সাপেক্ষে সাধাৰণ সভাই বিশ্ব শান্তি অটুট ৰখাৰ বাবে বিভিন্ন নীতি-নিয়ম গ্ৰহণ কৰিব পাৰে। সাধাৰণ সভাই প্ৰত্যক্ষভাৱে আইন প্ৰস্তুতকাৰী আৰু কাৰ্যপালিকাৰ ভূমিকা গ্ৰহণ কৰিব নোৱাৰিলেও বিভিন্ন বিষয়ত পৰামৰ্শ আগবঢ়াব পাৰে। ১৯৫০ চনত লোৱা 'শান্তি আৰু ঐক্য'ৰ (Peace and Unity) এক বিশেষ প্ৰস্তাৱৰ জৰিয়তে সাধাৰণ সভাক এক বিশেষ ক্ষমতা প্ৰদান কৰা হৈছে। এই ক্ষমতাৰ দ্বাৰা নিৰাপত্তা পৰিষদৰ কোনো স্থায়ী সদস্যৰাষ্ট্ৰই 'ভেটো' প্ৰদানৰ জৰিয়তে বিশ্বশান্তি অটুট ৰখাত বাধাৰ সৃষ্টি কৰিলে ২৪ ঘণ্টাৰ জাননী দি সাধাৰণ সভাৰ বৈঠক অনুষ্ঠিত কৰি তেনে সমস্যা সমাধানৰ বাবে পৰামৰ্শ আগবঢ়াব পাৰে।

**(গ) পৰ্যবেক্ষণ ক্ষমতা (Supervisory function) ঃ** সাধাৰণ সভাৰ পৰ্যবেক্ষণ ক্ষমতা আছে। এই সভাই ৰাষ্ট্ৰসংঘৰ অন্যান্য অংগ আৰু বিভিন্ন পৰিষদসমূহৰ কাৰ্যাৱলী পৰ্যবেক্ষণ কৰিব পাৰে। ৰাষ্ট্ৰসংঘৰ অন্যান্য অংগবোৰে নিজ নিজ কাৰ্যাৱলীৰ প্ৰতিবেদন সাধাৰণ সভাত দাখিল কৰাৰ পাছত সাধাৰণ সভাই তাৰ পৰ্যালোচনা কৰে। ৰাষ্ট্ৰসংঘৰ চনদৰ ১৫ নং দফা অনুসৰি সাধাৰণ সভাই নিৰাপত্তা পৰিষদৰ বাৰ্ষিক প্ৰতিবেদন, বিশেষ প্ৰতিবেদন আদি গ্ৰহণ কৰি নিৰাপত্তা পৰিষদে বিশ্বশান্তি আৰু প্ৰতিৰক্ষাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ ওপৰত পৰ্যবেক্ষণ কৰিব পাৰে। আৰ্থিক আৰু সামাজিক পৰিষদে কোনো আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আহ্বান কৰিবলৈ, কোনো বিশেষ এজেন্সিৰ লগত চুক্তি কৰিবলৈ বা আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ পৰামৰ্শ ল'বৰ বাবে সাধাৰণ সভাৰ অনুমোদন লাভ কৰিব লাগে। ন্যাসৰক্ষী পৰিষদৰ বিভিন্ন কাৰ্যৰ ওপৰতো সাধাৰণ সভাৰ পৰ্যবেক্ষণ অপৰিহাৰ্য।

**(ঘ) অৰ্থনৈতিক ক্ষমতা (Financial function) ঃ** সাধাৰণ সভাৰ বিত্তীয় ক্ষমতা আছে। বাৰ্ষিক আয়-ব্যয়ৰ সকলো দায়িত্ব সাধাৰণ সভাৰ ওপৰত ন্যস্ত কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধানে গৃহীত কৰা বাজেটত সাধাৰণ সভাই অনুমোদন জনাব লাগে। বিভিন্ন সংস্থাসমূহলৈ আৰ্থিক অনুদানৰ ক্ষেত্ৰত সাধাৰণ সভাই সিদ্ধান্ত ল'ব পাৰে।

**(ঙ) নিৰ্বাচন সম্পৰ্কীয় ক্ষমতা (Electoral function) ঃ** সাধাৰণ পৰিষদৰ প্ৰধান নিৰ্বাচন ক্ষমতাসমূহ হ'ল—

১। নিৰাপত্তা পৰিষদৰ অনুমোদনক্ৰমে নতুন সদস্য ভৰ্তিৰ ক্ষমতা।

২। নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য নিৰ্বাচন কৰা।

Scanned with CamScanner

৩। অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ সকলো সদস্যৰ নিৰ্বাচন।

৪। ন্যাসৰক্ষী পৰিষদৰ সকলো সদস্যৰ নিৰ্বাচন।

৫। নিৰাপত্তা পৰিষদৰ লগ লাগি আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ন্যায়াধীশক ৯ বছৰৰ কাৰণে নিৰ্বাচন কৰা।

**(চ) ৰাষ্ট্ৰসংঘৰ চনদ সংশোধনৰ ক্ষমতা (Power of Amendment of the Charter)** ঃ ৰাষ্ট্ৰসংঘৰ চনদৰ দফা ১০৮ আৰু ১০৯ অনুসৰি সাধাৰণ সভাক চনদ সংশোধনৰ ক্ষমতা প্ৰদান কৰা হৈছে। এই চনদৰ দফা ১০৮ অনুসৰি সাধাৰণ সভাৰ দুই-তৃতীয়াংশ সদস্যৰ সন্মতিক্ৰমে সাধাৰণ সভাই ৰাষ্ট্ৰসংঘৰ চনদৰ সংশোধন কৰিব পাৰে। এই চনদৰ দফা ১০৯ অনুসৰি পূৰ্বৰ চনদখনৰ পৰ্যালোচনা কৰিবৰ বাবে নিৰাপত্তা পৰিষদৰ সহযোগত সাধাৰণ সভাই এক সাধাৰণ সন্মিলন আহ্বান কৰিব পাৰে।

**২। নিৰাপত্তা পৰিষদ (Security Council)** ঃ নিৰাপত্তা পৰিষদখন হৈছে ৰাষ্ট্ৰসংঘৰ কাৰ্যপালিকাস্বৰূপ। প্ৰথম অৱস্থাত এঘাৰজন সদস্যক লৈ নিৰাপত্তা পৰিষদ গঠন কৰা হৈছিল। ইয়াৰে পাঁচজন আছিল স্থায়ী সদস্য আৰু ছজন অস্থায়ী সদস্য। স্থায়ী সদস্য ৰাষ্ট্ৰসমূহ হ'ল ইংলেণ্ড, ফ্ৰান্স, আমেৰিকা, ৰাছিয়া আৰু চীন।

অস্থায়ী সদস্যসকলক সাধাৰণ সভাই দুবছৰৰ কাৰণে নিৰ্বাচিত কৰে। অস্থায়ী সদস্য নিৰ্বাচনৰ ক্ষেত্ৰত গুৰুত্ব দিয়া বিষয়সমূহ হ'ল—

১। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষা তথা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা দেশসমূহৰ মাজৰ পৰা সদস্য নিৰ্বাচন কৰা হয়।

২। বিশ্বৰ বিভিন্ন প্ৰান্তৰ দেশসমূহে যাতে নিৰাপত্তা পৰিষদত প্ৰতিনিধিত্ব লাভ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখা হয়।

প্ৰথম অৱস্থাত এঘাৰজন সদস্যক লৈ নিৰাপত্তা পৰিষদখন গঠন কৰা হৈছিল। ইয়াৰে পাঁচখন স্থায়ী সদস্য ৰাষ্ট্ৰ আৰু ছখন অস্থায়ী ৰাষ্ট্ৰ আছিল। অস্থায়ী সদস্যসকল আছিল এনেধৰণৰ— কমনৱেলথ দেশসমূহৰ পৰা এজন, পূব ইউৰোপৰ সমাজবাদী দেশসমূহৰ পৰা এজন, পশ্চিম ইউৰোপীয় দেশসমূহৰ পৰা এজন, মধ্যপ্ৰাচ্যৰ দেশসমূহৰ পৰা এজন আৰু লেটিন আমেৰিকাৰ পৰা দুজন। ১৯৬৩ চনত ৰাষ্ট্ৰসংঘৰ চনদৰ ২৩নং অনুচ্ছেদৰ সংশোধন ঘটাই অস্থায়ী সদস্যৰ সংখ্যা দহজনলৈ বৃদ্ধি কৰা হয়। ফলত এছিয়া আৰু আফ্ৰিকাৰ পৰা অস্থায়ী সদস্য নিৰ্বাচন কৰা হয়। ১৯৬৫ চনৰ ৩১ আগষ্টৰ পৰা এই সংশোধনী বলবৎ হয়। সেই সময়ৰ পৰা নিৰাপত্তা পৰিষদৰ সদস্যৰ সংখ্যা পোন্ধৰজনলৈ (পাঁচজন স্থায়ী সদস্য আৰু দহজন অস্থায়ী সদস্য) বৃদ্ধি পায়।



১৯৬৬ চনৰ ১১ নৱেম্বৰত ভাৰতবৰ্ষই নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য পদ লাভ কৰে। আনহাতে ১৯৭১ চনত কুৱমিনটাং চীনৰ পৰিৱৰ্তে কমিউনিষ্ট চীনক নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য কৰা হয়।

নিৰাপত্তা পৰিষদৰ সকলো সদস্য ৰাষ্ট্ৰৰ এটাকৈ ভোট থাকে। প্ৰতিখন সদস্যৰাষ্ট্ৰই একোজনকৈ প্ৰতিনিধি পঠিয়াব পাৰে। কোনো সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত স্থায়ী পাঁচজন সদস্যসহ সৰ্বমুঠ ৯ জন সদস্যৰ সন্মতিৰ প্ৰয়োজন হয়। তদুপৰি স্থায়ী সদস্যসকলৰ 'ভেটো' (Veto) প্ৰয়োগ কৰিব পৰা ক্ষমতা আছে। কোনো গুৰুত্বপূৰ্ণ বিষয়ত কোনো সদস্যৰাষ্ট্ৰই ভেটো প্ৰয়োগ কৰিলে সেই বিষয়ৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাযায়। নিৰাপত্তা পৰিষদস সদস্য নোহোৱা কোনো ৰাষ্ট্ৰৰ বিষয়ে আলোচনা কৰিবলগীয়া থাকিলে সেই ৰাষ্ট্ৰৰ প্ৰতিনিধিয়েও আলোচনাত অংশগ্ৰহণ কৰিব পাৰে। কিন্তু তেনে প্ৰতিনিধিৰ ভোটদান ক্ষমতা নাথাকে।

● **নিৰাপত্তা পৰিষদৰ ক্ষমতা আৰু কাৰ্যাৱলী (Powers and functions of Security Council)** ঃ নিৰাপত্তা পৰিষদৰ বিভিন্ন ক্ষমতা আছে আৰু এই ক্ষমতাৰ দ্বাৰা বিভিন্ন কাৰ্যাৱলী সম্পন্ন কৰে। নিৰাপত্তা পৰিষদৰ এই ক্ষমতা আৰু কাৰ্যাৱলীসমূহ তলত দিয়াধৰণে ভাগ কৰিব পাৰি—

ক) আলোচনা কৰা কাৰ্য (Deliberative function)

খ) শাস্তিমূলক ব্যৱস্থা প্ৰয়োগ ক্ষমতা (Enforcement function)

গ) নিৰ্বাচন সংক্ৰান্তীয় ক্ষমতা (Electoral function)

ঘ) নিৰস্ত্ৰীকৰণ ক্ষমতা (Disarmament function) আৰু

ঙ) নতুন সদস্যভৰ্তিৰ ক্ষমতা (Function of Admission of New Members)

**(ক) আলোচনা কৰা কাৰ্য (Deliberative function)** ঃ আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ বিষয়ত যিকোনো আলোচনা নিৰাপত্তা পৰিষদে কৰিব পাৰে। নিৰাপত্তা পৰিষদে বিবাদজড়িত ৰাষ্ট্ৰসমূহৰ মাজত মধ্যস্থতা, আলোচনা অথবা আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ জৰিয়তে তেনে বিবাদ নিষ্পত্তিৰ কাৰণে চেষ্টা চলাব পাৰে। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বিঘ্নিত হ'ব পৰা যিকোনো বিষয়ৰ ওপৰত নিৰাপত্তা পৰিষদে পৰ্যবেক্ষণ তথা অনুসন্ধান চলাই তাৰ ওপৰত আলোচনা কৰিব পাৰে। প্ৰয়োজনসাপেক্ষে বিবাদ নিষ্পত্তিৰ কাৰণে বিবাদজড়িত দেশসমূহক নিৰাপত্তা পৰিষদে অনুৰোধ জনাব পাৰে। তদুপৰি বিভিন্ন বিবাদৰ ওপৰত নিৰাপত্তা পৰিষদে বিতং আলোচনা কৰি নিৰ্দিষ্ট ৰাষ্ট্ৰক বিবাদ মীমাংসাৰ কাৰণে নিৰ্দেশো দিব পাৰে।

Scanned with CamScanner

**(খ) শান্তিমূলক ব্যৱস্থা প্ৰয়োগ ক্ষমতা (Enforcement function) ঃ** নিৰাপত্তা পৰিষদৰ শান্তিমূলক ব্যৱস্থা প্ৰয়োগৰ ক্ষমতা আছে। কোনো ৰাষ্ট্ৰই যদি আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ভংগ কৰিব পৰা কিবা নীতি গ্ৰহণ কৰে অথবা কোনো বিবাদৰ শান্তিপূৰ্ণ উপায়েৰে মীমাংসা কৰিব নিবিচাৰে, তেনে ৰাষ্ট্ৰৰ ওপৰত নিৰাপত্তা পৰিষদে শান্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। এই শান্তিমূলক ব্যৱস্থা দুই ধৰণৰ—

১। অৰ্থনৈতিক উপায়েৰে শান্তিমূলক ব্যৱস্থা গ্ৰহণ। এই ব্যৱস্থাৰ দ্বাৰা দোষী ৰাষ্ট্ৰৰ ওপৰত অৰ্থনৈতিক প্ৰতিবন্ধকতা আৰোপ কৰা হয়। যেনে— তেনে শান্তি ব্যাহতকাৰী দেশৰ লগত অৰ্থনৈতিক সম্পৰ্ক ছেদ কৰা, ৰে'লপথ,সাগৰীয় পথ, আকাশী পথৰ সংযোগ বিচ্ছিন্ন কৰা, ডাক-তাঁৰ আদি যোগাযোগৰ মাধ্যমসমূহ বন্ধ কৰা, কূটনৈতিক সম্পৰ্ক ছেদ কৰা ইত্যাদি।

২। সামৰিক উপায়েৰেও শান্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। বিশ্বৰ শান্তি তথা নিৰাপত্তা বিঘ্নিত কৰিব বিচৰা কোনো ৰাষ্ট্ৰক যদি শান্তিপূৰ্ণ আলোচনা অথবা অৰ্থনৈতিক প্ৰতিবন্ধকতাৰ দ্বাৰাও দমন কৰিব পৰা নাযায়, তেনেহ'লে নিৰাপত্তা পৰিষদে সামৰিক শক্তি প্ৰয়োগ কৰি তেনে ৰাষ্ট্ৰক দমনৰ চেষ্টা চলাব পাৰে। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ কাৰণে নিৰাপত্তা পৰিষদে সামৰিক বাহিনীৰ সহায় ল'ব পাৰে।

**(গ) নিৰ্বাচন সংক্ৰান্তীয় ক্ষমতা (Electaral function) ঃ** নিৰাপত্তা পৰিষদৰ নিৰ্বাচন সংক্ৰান্তীয় ক্ষমতাসমূহ হ'ল—

১। এই পৰিষদৰ অনুমোদনক্ৰমে সাধাৰণ সভাই নতুন সদস্য ভৰ্তি কৰিব পাৰে।

২। এই পৰিষদৰ অনুমোদনক্ৰমে সাধাৰণ সভাই কোনো সদস্যক বহিষ্কাৰ কৰিব পাৰে।

৩। এই পৰিষদৰ অনুমোদনক্ৰমে সাধাৰণ সভাই সচিবপ্ৰধানক নিয়োগ কৰিব পাৰে।

৪। এই পৰিষদৰ সন্মতিসাপেক্ষে আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ বিচাৰপতি নিয়োগ কৰিব পাৰি।

**(ঘ) নিৰস্ত্ৰীকৰণ ক্ষমতা (Disarmament function) ঃ** নিৰস্ত্ৰীকৰণৰ ক্ষেত্ৰতো নিৰাপত্তা পৰিষদৰ ক্ষমতা আছে। অস্ত্ৰ-পাতি নিয়ন্ত্ৰণ আৰু নিৰস্ত্ৰীকৰণৰ বাবে নিৰাপত্তা পৰিষদে বিভিন্ন পৰিকল্পনা প্ৰস্তুত কৰি সেইবোৰৰ বাস্তৱ প্ৰয়োগৰ বাবে সদস্যৰাষ্ট্ৰসমূহলৈ পঠিয়াব পাৰে। অস্ত্ৰ-পাতি নিৰ্মাণত কৰা ব্যয়ৰ বাবে যাতে কোনো ৰাষ্ট্ৰৰ অৰ্থনীতিত আঘাত নপৰে তাৰবাবে নিৰাপত্তা পৰিষদে দৃষ্টি ৰাখিব পাৰে।



**(ঙ) নতুন সদস্যভৰ্তিৰ ক্ষমতা (Function of admission of new members) ঃ**

ৰাষ্ট্ৰসংঘৰ চনদৰ দফা ৪(২) অনুসৰি নতুন সদস্য ভৰ্তিৰ ক্ষেত্ৰতো নিৰাপত্তা পৰিষদক ক্ষমতা প্ৰদান কৰা হৈছে। নিৰাপত্তা পৰিষদৰ অনুমোদনক্ৰমে সাধাৰণ সভাই নতুন সদস্যক ৰাষ্ট্ৰসংঘৰ অন্তৰ্ভুক্তি কৰিব পাৰে। এই ক্ষমতাৰ দ্বাৰাই নিৰাপত্তা পৰিষদে আলবেনিয়া, বুলগেৰিয়া, হাংগেৰি, ৰুমানিয়া আদি দেশক ৰাষ্ট্ৰসংঘৰ সদস্যভৰ্তিৰ অনুমোদন জনোৱা নাছিল। কোনো ৰাষ্ট্ৰই যদি ইচ্ছা কৰি ৰাষ্ট্ৰসংঘৰ নীতি উলংঘা কৰে, তেনে দেশত ৰাষ্ট্ৰসংঘৰ সদস্য হোৱাৰ পৰা দূৰত ৰাখিব পাৰে।

**৩। আৰ্থিক আৰু সামাজিক পৰিষদ (Economic and Social Council) ঃ**

ৰাষ্ট্ৰসংঘৰ ছটা প্ৰধান অংগৰ ভিতৰত এক উল্লেখযোগ্য অংগ হ'ল অৰ্থনৈতিক আৰু সামাজিক পৰিষদ। এই পৰিষদে সাধাৰণ সভাৰ অধীনত কাম কৰে। ৰাষ্ট্ৰসংঘৰ চনদৰ ৫৫নং অনুচ্ছেদত উল্লেখ কৰা আছে যে দেশসমূহৰ মাজৰ সম অধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ ভিত্তিত শান্তিপূৰ্ণ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ সৃষ্টি কৰাটো প্ৰয়োজন। এই উদ্দেশ্যত সফলতা লাভ কৰিবলৈ ৰাষ্ট্ৰসংঘৰ প্ৰধান লভ্য হ'ব লাগিব—

১। জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নীতকৰণ, নিবনুৱা সমস্যাৰ সমাধান আৰু সামাজিক আৰু অৰ্থনৈতিক প্ৰগতি আৰু বিকাশ।

২। আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক, স্বাস্থ্য আৰু অন্যান্য সমস্যাৰ সমাধান, আন্তঃৰাষ্ট্ৰীয় সংস্কৃতি আৰু শিক্ষা বিষয়ত সহযোগিতা সৃষ্টি।

৩। জাতি-লিংগ-ভাষা-ধৰ্ম নিৰ্বিশেষে সকলোৰে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা ভোগৰ সুবিধা লাভ কৰা।

ওপৰোক্ত উদ্দেশ্যসমূহ সফল কৰিবৰ বাবে ৰাষ্ট্ৰসংঘৰ এক অংগ হিচাপে আৰ্থিক আৰু সামাজিক পৰিষদখন গঠন কৰা হৈছিল।

ৰাষ্ট্ৰসংঘৰ চনদৰ ৬১নং অনুচ্ছেদত সামাজিক আৰু অৰ্থনৈতিক পৰিষদ গঠনৰ ওপৰত উল্লেখ কৰা হৈছে। প্ৰথম অৱস্থাত এই পৰিষদৰ সদস্যৰ সংখ্যা আছিল ওঠৰজন। তাৰ পাছত ক্ৰমে ২৭ জন আৰু ৫৪ জনলৈ বৃদ্ধি কৰা হয়। এছিয়া আৰু আফ্ৰিকাৰ বহুতো দেশক ৰাষ্ট্ৰসংঘৰ সদস্য কৰাৰ পাছত এই দেশসমূহে প্ৰতিনিধিত্ব কৰিব পৰাকৈ এই পৰিষদৰ সদস্যসংখ্যা বৃদ্ধি কৰা হয়। বিভিন্ন দেশৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ভৌগোলিক পৰিৱেশৰ দেশে প্ৰতিনিধিত্ব কৰিব পৰাকৈ ইয়াৰ সদস্যসমূহ নিৰ্বাচন কৰা হয়। উদ্যোগৰ বিকাশ হোৱা আৰু শক্তিশালী দেশসমূহক

Scanned with CamScanner

সাধাৰণতে সদস্য নিৰ্বাচন কৰা হয়। এই পৰিষদৰ দুই-তৃতীয়াংশ সদস্য উন্নয়নশীল দেশসমূহৰ পৰা নিৰ্বাচিত কৰা হয়।

অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ সদস্যসকলক সাধাৰণ সভাই তিনি বছৰৰ কাৰণে নিৰ্বাচিত কৰে। এই সদস্যৰ এক-তৃতীয়াংশই প্ৰতিবছৰে অৱসৰ গ্ৰহণ কৰে। অৱসৰ হোৱা সদস্যৰ খালী আসনসমূহ পুনৰ নিৰ্বাচনৰ জৰিয়তে পূৰ কৰা হয়। এবাৰ অৱসৰ গ্ৰহণ কৰা সদস্যক পুনৰ নিৰ্বাচন কৰাৰ ব্যৱস্থাও ৰখা হৈছে। আনহাতে নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰই অৱসৰ গ্ৰহণ কৰিলে তেনে ৰাষ্ট্ৰক পুনৰ সদস্য হিচাপে নিৰ্বাচন কৰা হয়। অৰ্থাৎ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰাষ্ট্ৰসমূহে অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰো স্থায়ী সদস্য হোৱাৰ সুবিধা লাভ কৰিছে।

অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ অধিবেশন বছৰি দুবাৰ অনুষ্ঠিত হয়। প্ৰয়োজনসাপেক্ষে পৰিষদৰ বিশেষ অধিৱেশন অনুষ্ঠিত কৰাৰো নিয়ম আছে। পৰিষদৰ কাম-কাজসমূহ চলাবৰ বাবে এবছৰৰ বাবে এজন সভাপতি নিৰ্বাচিত কৰা হয়। পৰিষদৰ সকলো কাম-কাজৰ তদাৰক কৰিবলৈ কেইবাখনো সমিতি গঠন কৰা হৈছে। কোনো সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পৰিষদৰ উপস্থিত সদস্যৰ সংখ্যাগৰিষ্ঠৰ মত গ্ৰহণ কৰা হয়।

- **ক্ষমতা আৰু কাৰ্যাৱলী (Powers and Functions) ঃ** অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে ৰাষ্ট্ৰসংঘৰ চনদৰ ৬২ৰ পৰা ৬৬ নং অনুচ্ছেদলৈ উল্লেখ আছে। এই অনুচ্ছেদত উল্লেখ থকা অনুসৰি এই পৰিষদৰ ক্ষমতা আৰু কাৰ্যাৱলী তথা দায়িত্বক তলত দিয়াধৰণে ভাগ কৰিব পাৰি—

ক) অধ্যয়ন আৰু প্ৰতিবেদন দাখিল (Studies and Reports)

খ) আলোচনা আৰু অনুমোদন (Discussion and Recommendation)

গ) সন্মিলনৰ খচৰা প্ৰস্তুত (Drafting of Convention)

ঘ) সন্মিলনৰ আহ্বান (Calling of Conference) আৰু

ঙ) বিশেষ সংস্থাসমূহৰ কামত সহযোগিতা (Co-ordination of the work of Specialised Agencies)।

**(ক) অধ্যয়ন আৰু প্ৰতিবেদন দাখিল (Studies and Reports) ঃ** ৰাষ্ট্ৰসংঘৰ চনদৰ ৬২নং অনুচ্ছেদৰ দফা ১ অনুসৰি আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত যিকোনো অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, শিক্ষা, স্বাস্থ্য আৰু অন্যান্য বিষয়ৰ ওপৰত প্ৰাথমিক অধ্যয়নৰ দায়িত্ব অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ ওপৰত ন্যস্ত কৰা হৈছে। এই পৰিষদে ৰিফিউজী সমস্যা, গৃহ সমস্যা অৰ্থাৎ থকা ঘৰৰ নাটনি, ধ্বংস হোৱা অঞ্চলৰ পুনৰনিৰ্মাণ, মহিলাৰ অৰ্থনৈতিক স্থিতি আদি বিভিন্ন দিশত অধ্যয়ন চলাইছিল এই



অধ্যয়নৰ ভিত্তিত প্ৰস্তুত কৰা প্ৰতিবেদনসমূহৰ জৰিয়তে ৰাষ্ট্ৰসংঘই বিভিন্ন কাম কৰিবলৈ সহয় হৈছিল।

**(খ) আলোচনা আৰু অনুমোদন (Discussion and Recommendation) ঃ** আৰ্থিক আৰু সামাজিক পৰিষদে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত বিভিন্ন বিষয়, যেনে— অৰ্থনীতি, সমাজ, সংস্কৃতি, শিক্ষা, স্বাস্থ্য আদিৰ ওপৰত বিশদ আলোচনা কৰি সেই বিষয়সমূহৰ অনুমোদন জনাই সাধাৰণ সভালৈ পঠিয়াইছিল। ৰাষ্ট্ৰসংঘৰ সদস্য পদ আৰু ৰাষ্ট্ৰসংঘৰ অধীনৰ বিভিন্ন অনুষ্ঠানসমূহৰ সদস্যপদ তথা অন্যান্য বিষয়ৰ ওপৰতো এই পৰিষদে আলোচনা কৰি সাধাৰণ সভালৈ পঠাইছিল। অৱশ্যে এই আলোচনা তথা অনুমোদিত বিষয়সমূহ মানি ল'বলৈ সাধাৰণ সভা বাধ্য আছিল।

**(গ) সন্মিলনৰ খচৰা প্ৰস্তুত (Drafting of Convention) ঃ** আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ খৰচা প্ৰস্তুতিৰ দায়িত্বও এই পৰিষদৰ ওপৰত ন্যস্ত কৰা হৈছিল।

**(ঘ) সন্মিলনৰ আহ্বান (Calling of Conference) ঃ** আৰ্থিক আৰু সামাজিক পৰিষদে নিজ ইচ্ছানুসৰি বা সাধাৰণ সভাৰ নিৰ্দেশক্ৰমে আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আহ্বান কৰিব পাৰে। বিভিন্ন ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত অন্তৰ্ভুক্তি নোহোৱা বিষয়সমূহৰ আলোচনাৰ বাবে এই পৰিষদে আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আহ্বান কৰিব পাৰে। উদাহৰণস্বৰূপে এই পৰিষদে ১৯৫৪ চনত বিশ্ব স্বাস্থ্য সন্মিলন, ১৯৪৯ চনত সম্পদসমূহৰ ব্যৱহাৰ আৰু সংৰক্ষণৰ ওপৰত বৈজ্ঞানিক সন্মিলনৰ আহ্বান কৰিছিল। স্বাস্থ্য, বাণিজ্য, যাতায়াত, নিয়োগ ব্যৱস্থা আদি বিভিন্ন বিষয়ত সন্মিলনৰ আহ্বান কৰিব পাৰে।

**(ঙ) বিশেষ সংস্থাসমূহৰ কামত সহযোগিতা (Co-ordination of the work of Specialised Agencies) ঃ**

ৰাষ্ট্ৰসংঘৰ বিভিন্ন কাম-কাজ পৰিচালনা কৰিবৰ কাৰণে তথা বাস্তবায়িত কৰিবৰ কাৰণে বহুতো সংস্থাৰ সৃষ্টি হৈছে। আৰ্থিক আৰু সামাজিক পৰিষদে এই সংস্থাসমূহৰ কামত সহযোগিতা আগবঢ়ায়। এই পৰিষদে সহযোগিতা আগবঢ়োৱা কিছুমান উল্লেখযোগ্য সংস্থা হ'ল—

১। আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (Internationa Labour Organisation, I.L.O.)

২। খাদ্য আৰু কৃষি সংস্থা (Food and Agricultural Organisation, F.A.O.)

Scanned with CamScanner

৩। আন্তঃৰাষ্ট্ৰীয় বিমান সংস্থা (Internationl Civil Aviation Organisation, I.C.A.O.)

৪। আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা (United Nations Educational, Scientific and Cultural Organisation, UNESCO)

৫। স্বাস্থ্য সংগঠন (World Health Organisation WHO)

৬। বিশ্ব ডাকসংঘ (Universal Postal Union, UPU)

৭। আন্তঃৰাষ্ট্ৰীয় টেলিসংযোগ সংস্থা (International Telecommunication Union, ITU)

৮। শিশু আৰু আন্তঃৰাষ্ট্ৰীয় জৰুৰীকালীন ন্যাস পুঁজি (United Nations International Children Emergency Fund, UNICEF) ইত্যাদি।

**৪। ন্যাসৰক্ষী পৰিষদ (Trusteship Council) ঃ** ৰাষ্ট্ৰসংঘৰ প্ৰধান অংগসমূহৰ ভিতৰত এক অন্যতম অংগ হ'ল ন্যাসৰক্ষী পৰিষদ। দ্বিতীয় মহাসমৰৰ পাছত এছিয়া আৰু আফ্ৰিকাৰ বহুতো দেশে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু প্ৰকৃততে সেইসমূহ স্বাধীনভাৱে চলিব পৰাকৈ উপযুক্ত হৈ উঠা নাছিল। সেয়েহে তেনে অঞ্চলসমূহক সাময়িকভাৱে বৈদেশিক শাসনৰ তলত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। বৈদেশিক শাসকসকলে যাতে এনেবোৰ অঞ্চলত শাসনৰ নামত শোষণ আৰম্ভ নকৰে তথা সেই অঞ্চলসমূহ যাতে সোনকালে স্বাধীনতা লাভৰ উপযুক্ত হৈ উঠে সেইসমূহ চোৱা-চিতা কৰিবৰ বাবে ৰাষ্ট্ৰসংঘই এই ন্যাসৰক্ষী পৰিষদখন গঠন কৰিছিল। এই অঞ্চলসমূহৰ দায়িত্ব যিসমূহ দেশৰ ওপৰত অৰ্পণ কৰা হৈছিল, সেই দেশসমূহ ন্যাসৰক্ষী পৰিষদৰ ওচৰত দায়বদ্ধ হ'ব লাগিছিল। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই বিশ্বৰ যিবোৰ অঞ্চল শান্তি-সুৰক্ষা-প্ৰশাসন-আৰ্থিক-সামাজিক তথা শৈক্ষিক উন্নয়নৰ বাবে নিৰ্বাচন কৰে, সেই অঞ্চলসমূহ ন্যাসৰক্ষী পৰিষদে তদাৰক কৰি তাৰ প্ৰতিবেদন সাধাৰণ সভাত দাখিল কৰিব লাগে।

ৰাষ্ট্ৰসংঘৰ অনুচ্ছেদত ন্যাসৰক্ষী পৰিষদৰ উদ্দেশ্যসমূহ উল্লেখ কৰা হৈছে। এই উদ্দেশ্যসমূহ হ'ল—

১। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰা।

২। ন্যাসৰক্ষী পৰিষদৰ নিয়ন্ত্ৰণত থকা অঞ্চলসমূহৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু শৈক্ষিক উন্নতি সাধন কৰি সেই অঞ্চলসমূহক স্বায়ত্তশাসন অথবা স্বাধীনতাৰ বাবে উপযুক্ত কৰি তোলা।



৩। জাতি-লিংগ-ভাষা-ধৰ্ম নিৰ্বিশেষে সকলোৰে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি শ্ৰদ্ধা কৰা তথা বিশ্বৰ সকলো লোকৰে স্বাধীনতাক স্বীকৃতি দিয়া আৰু পৰস্পৰ নিৰ্ভৰশীলতা ভাবৰ সৃষ্টি কৰা।

ৰাষ্ট্ৰসংঘৰ ন্যাসৰক্ষী পৰিষদৰ তিনি ধৰণৰ সদস্য লৈ গঠিত হৈছে—

১। নিৰাপত্তা পৰিষদৰ সমূহ সদস্য।

২। ন্যাসৰক্ষী পৰিষদৰ তদাৰকীত থকা ৰাষ্ট্ৰসমূহ আৰু

৩। ৰাষ্ট্ৰসংঘৰ মুঠ সদস্যৰ সংখ্যাৰ পৰা প্ৰথম দুবিধ সদস্যৰ সংখ্যা বাদ দিলে যিমান সদস্য হয়, সিমান সংখ্যক সদস্য সাধাৰণ সভাই পৰিষদলৈ নিৰ্বাচিত কৰি পঠিয়ায়।

এই পৰিষদৰ সদস্যসকলৰ কাৰ্যকাল তিনি বছৰ। পৰিষদৰ কাম-কাজ চলাবৰ বাবে সদস্যসকলৰ মাজৰ পৰা এজন সভাপতি নিৰ্বাচন কৰা হয়। বছৰত দুবাৰ পৰিষদৰ অধিবেশন অনুষ্ঠিত হয়। সাধাৰণতে প্ৰতি বছৰৰ জানুৱাৰী আৰু জুলাই মাহত এই পৰিষদৰ অধিবেশন অনুষ্ঠিত হয়। প্ৰয়োজন বা সাপেক্ষে পৰিষদৰ বিশেষ অধিবেশন আহ্বান কৰাৰো ব্যৱস্থা আছে। প্ৰত্যেকজন সদস্যৰে এটাকৈ ভোট থাকে। সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থনত যিকোনো সিদ্ধান্ত লোৱা হয়। নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰসমূহ এই ন্যাসৰক্ষী পৰিষদৰ সদস্য যদিও এই পৰিষদত তেওঁলোকৰ 'ভেটো' (Veto) প্ৰয়োগ কৰিব পৰা ক্ষমতা নাথাকে।

## ❑ ন্যাসৰক্ষী পৰিষদৰ ক্ষমতা আৰু কাৰ্যাৱলী (Powers and functions of Trateship Council) ঃ

ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ থকা ন্যাসৰক্ষী পৰিষদৰ ক্ষমতাসমূহ আৰু কাৰ্যাৱলীসমূহ হ'ল—

১। প্ৰতিবেদনৰ ওপৰত বিচাৰ (Consideration of Reports)

২। দৰ্খাস্তসমূহৰ বিবেচনা (Examination of Petitions)

৩। পৰিষদৰ শাসিত অঞ্চল ভ্ৰমণ (Visit to Trust Territories)।

বিভিন্ন অঞ্চলৰ শাসনৰ দায়িত্বত থকা ৰাষ্ট্ৰসমূহে পঠিওৱা প্ৰতিবেদনসমূহ ন্যাসৰক্ষী পৰিষদে বিচাৰ কৰিব। আনহাতে শাসনত থকা অঞ্চলসমূহৰ লোকসকলে তেওঁলোকৰ বিভিন্ন অভাৱ-অভিযোগৰ ওপৰত দৰ্খাস্ত দাখিল কৰিলে ন্যাসৰক্ষী পৰিষদে শাসনৰ দায়িত্বত থকা ৰাষ্ট্ৰসমূহৰ লগত আলোচনা কৰি সেই দৰ্খাস্তসমূহৰ বিচাৰ কৰিব। প্ৰয়োজন অনুসৰি ন্যাসৰক্ষী পৰিষদে শাসিত অঞ্চললৈ প্ৰতিনিধি প্ৰেৰণ কৰি

Scanned with CamScanner

সেই অঞ্চলসমূহৰ শাসনৰ বুজ ল'ব বিশেষকৈ শাসিত অঞ্চলৰ আৰ্থ-সামাজিক, শৈক্ষিক দিশৰ বুজ ল'বলৈ প্ৰতিনিধিৰ দল সেই অঞ্চল ভ্ৰমণলৈ পঠাব।

**৫। আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয় (International Court of Justice)** ঃ ৰাষ্ট্ৰসংঘৰ অধীনৰ ৰাষ্ট্ৰসমূহৰ বিভিন্ন বিচাৰৰ বাবে এই আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয় প্ৰতিষ্ঠা কৰা হৈছে। বিভিন্ন দেশৰ পোন্ধৰজন ন্যায়াধীশ লৈ এই ন্যায়ালয় প্ৰতিষ্ঠা কৰা হৈছে। এই ন্যায়ালয় হলেণ্ডৰ দি হেগ চহৰত অৱস্থিত। বিচাৰপতিসকলৰ কাৰ্যকাল ৯ বছৰ। আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ বিচাৰপতি হিচাপে নিযুক্ত হোৱা লোকসকলৰ নিজৰ দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ বিচাৰপতি হোৱাৰ যোগ্যতা থাকিব লাগে। আন্তৰ্জাতিক আইনৰ বিশাৰদ, স্বাধীনভাৱে বিচাৰ কৰাৰ ক্ষমতা থকা আৰু উচ্চ নৈতিক চৰিত্ৰৰ লোকক এই ন্যায়ালয়ৰ বিচাৰক হিচাপে নিযুক্তি দিয়া হয়। এখন ৰাষ্ট্ৰৰ পৰা কেৱল মাত্ৰ এজনহে ন্যায়াধীশ নিযুক্তি দিব পাৰি। সাধাৰণ সভা আৰু নিৰাপত্তা পৰিষদে পৃথকে পৃথকে গোপন ভোটৰ দ্বাৰা এই ন্যায়াধীশসকলক নিৰ্বাচিত কৰে। এই ন্যায়ালয়ৰ এজন সভাপতি আৰু এজন উপ-সভাপতি থাকে।

- **ভূমিকা (Role the Court)** ঃ আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ প্ৰধান ভূমিকাসমূহ হ'ল—

১। আন্তঃৰাষ্ট্ৰীয় বিবাদৰ মীমাংসা কৰা।

২। আন্তঃৰাষ্ট্ৰীয় আইনৰ বিকাশ আৰু

৩। কোনো বিষয়ত আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান।

- **অধিকাৰক্ষেত্ৰ (Jurisdictionat the Court)** ঃ

আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ অধিকাৰক্ষেত্ৰক তিনি ধৰণেৰে ভাগ কৰিব পাৰি—

১। স্বেচ্ছাপূৰ্বক অধিকাৰ ক্ষেত্ৰ (Voluntery Jurisdiction)

২। বাধ্যতামূলক অধিকাৰক্ষেত্ৰ (Compulsory Jurisdiction) আৰু

৩। পৰামৰ্শমূলক অধিকাৰক্ষেত্ৰ (Advisory Jurisdiction)।

(ক) কোনো বিবাদত জড়িত দুয়োটা পক্ষই যদি সেই বিবাদৰ বিচাৰৰ বাবে আন্তৰ্জাতিক ন্যায়ালয়ত আবেদন কৰে, তেনেহ'লে ন্যায়ালয়ে তেনে বিবাদৰ বিচাৰ কৰিব পাৰে। এনেক্ষেত্ৰত কোনো এটা পক্ষই এই আদালতত বিচাৰৰ আবেদন জনালে দ্বিতীয় পক্ষয়ো সেই বিবাদৰ বিচাৰৰ বাবে সন্মতি জনাব লাগে।

(খ) আন্তঃৰাষ্ট্ৰীয় আইন-শৃংখলা, আন্তঃৰাষ্ট্ৰীয় চুক্তি আদিৰ ক্ষেত্ৰত এই ন্যায়ালয়ে



বাধ্যতামূলক ৰায় দিব পাৰে। কোনো ৰাষ্ট্ৰই এই ৰায় নামানিলে, নিৰাপত্তা পৰিষদে তেনে ৰাষ্ট্ৰৰ বিপক্ষে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

(গ) সাধাৰণ সভা, নিৰাপত্তা পৰিষদ আৰু ৰাষ্ট্ৰসংঘৰ অন্যান্য অংগ তথা সংস্থাসমূহে এই ন্যায়ালয়ৰ পৰামৰ্শ বিচাৰিব পাৰে। অৱশ্যে আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ এনে পৰামৰ্শ গ্ৰহণ কৰাটো বাধ্যতামূলক নহয়।

আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ বিচাৰৰ সিদ্ধান্তসমূহ তথা পৰামৰ্শসমূহ কাৰ্যকৰী কৰাৰ কোনোধৰণৰ ক্ষমতা নাই। তথাপি এই সিদ্ধান্তসমূহ ৰাষ্ট্ৰসমূহে মানি চলাৰ প্ৰধান কাৰণ হ'ল—

১। ৰাষ্ট্ৰসংঘৰ চনদ অনুসৰি সদস্যৰাষ্ট্ৰসমূহে আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ সিদ্ধান্তসমূহ মানি চলাটো বাধ্যতামূলক।

২। যদি কোনো পক্ষই এই ন্যায়ালয়ৰ সিদ্ধান্ত মানি নলয়, তেনেহ'লে দ্বিতীয় পক্ষই এই বিষয়ে নিৰাপত্তা পৰিষদক জনাব পাৰে। তেতিয়া নিৰাপত্তা পৰিষদে ন্যায়ালয়ৰ সিদ্ধান্ত কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ হাতত ল'ব পাৰে।

**৬। সচিবালয় আৰু সচিবপ্ৰধান (Secretariate and Secretay General)** ঃ

ৰাষ্ট্ৰসংঘৰ ছটা প্ৰধান অংগৰ ভিতৰত এক অন্যতম অংগ হ'ল সচিবালয়। সচিব প্ৰধান (Secretary General) আৰু অন্যান্য কৰ্মচাৰীসকলক লৈ সচিবালয় গঠন কৰা হৈছে। ইয়াৰ প্ৰধান কাৰ্যালয় আছে নিউয়ৰ্কত। ৰাষ্ট্ৰসংঘৰ অধীনৰ নিৰাপত্তা পৰিষদৰ অনুমোদনক্ৰমে সচিবপ্ৰধানজনক পাঁচ বছৰৰ কাৰণে নিয়োগ কৰা হয়। ৰাষ্ট্ৰসংঘৰ সকলো প্ৰশাসনিক কাম-কাজ এই সচিবালয়ৰ পৰা পৰিচালনা কৰা হয়। নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰ লগতে সৰ্বমুঠ নজন সদস্যৰ সমৰ্থন লাভ কৰিলেহে সচিবপ্ৰধানক নিৰ্বাচন কৰিব পাৰে। সচিবপ্ৰধানে অন্যান্য কৰ্মচাৰীসকলক নিয়োগ কৰে। এবাৰ কাৰ্যকাল শেষ হোৱাৰ পাছত সচিবপ্ৰধানক পুনৰ নিৰ্বাচিত কৰাৰো ব্যৱস্থা আছে।

ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠাৰ পৰাবৰ্তমানলৈকে থকা সচিবপ্ৰধানসমূহ হ'ল—

১। নৰৱেৰ ট্ৰিগ ভি লি (১৯৪৫-১৯৫২), Trygve Lie, 1945-52

২। ছুইডেনৰ ডাগ হেমাৰশ্বিল্ড (১৯৫২-১৯৬১), Dag Hamerskilled, 1952-61

৩। ম্যানমাৰৰ ইউ থাণ্ট (১৯৬১-১৯৭১), U, Thant, 1961-1971

৪। অষ্ট্ৰিয়াৰ ড° কুৰ্ট ৱাল্ড হেইম (১৯৭১-১৯৮১), Kurt Waldheim, 1971-1981

Scanned with CamScanner

৫। পেৰুৰ জেভিয়াৰ পেৰেজ ডি কুইলাৰ (১৯৮১-১৯৯১), P. D. Cuellar, 1981-1991

৬। ইজিপ্তৰ ড° ব্ৰুটছ্-ব্ৰুটছ্ খালী (১৯৯২-১৯৯৬), Dr. Boutros Boutros Ghhali, 1992-1996

৭। ঘানাৰ কফি আন্নান (১৯৯৭-২০০৬), Kaffi Annan, 1997-2006

৮। দক্ষিণ কোৰিয়াৰ বেন কি মুন (২০০৬-বৰ্তমানলৈ), Ban Ki Moon, 2006-

সচিবপ্ৰধান আৰু সচিবালয়ৰ অন্যান্য কৰ্মচাৰীসকলে স্বাধীনভাৱে কাম কৰিব পাৰে। তেওঁলোকে নিজৰ দেশৰে হওক বা অন্যান্য দেশৰে হওক, কাৰো নিৰ্দেশমতে কাম কৰিব নালাগে। অৱশ্যে তেওঁলোকৰ কৰ্মৰাজি ৰাষ্ট্ৰসংঘৰ গণ্ডীৰ ভিতৰতে সীমাবদ্ধ। সচিবালয়ৰ সকলো কৰ্মচাৰীয়ে ৰাষ্ট্ৰসংঘৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব লাগে। সচিবালয়ৰ কাম-কাজ পৰিচালনাৰ বাবে তেওঁলোকে যিবোৰ তথ্য-পাতি লাভ কৰে, সেই তথ্য-পাতিসমূহ বাহিৰত প্ৰকাশ কৰিব নোৱাৰে।

- **ক্ষমতা আৰু কাৰ্যাৱলী (Power and Functions) ঃ**

সচিবালয়ৰ প্ৰধানজন হৈছে সচিবপ্ৰধান। তেওঁৰ ক্ষমতা আৰু দায়িত্বসমূহ হ'ল—

(ক) কৰ্মচাৰী নিয়োগ (Appointment of officers)

(খ) প্ৰশাসনীয় কাৰ্যাৱলী (Administrative functions)

(গ) বিভিন্ন সংগঠনৰ কামত অংশগ্ৰহণ (Participation in the work of different Organs)

(ঘ) প্ৰতিনিধিত্ব কৰাৰ দায়িত্ব (Representative function)

(ঙ) সমন্বয় সাধন (Co-ordination among different Organs)

(চ) চুক্তিৰ পঞ্জীয়ন (Registration of Treaties)

(ছ) বিত্তীয় ক্ষমতা (Financial Power) ইত্যাদি।

**(ক) কৰ্মচাৰী নিয়োগ (Appointment of Officers) ঃ** সচিবালয়ৰ কৰ্মচাৰীসকলক সচিবপ্ৰধানে নিয়োগ কৰে। কৰ্মচাৰীসকল বিশ্বৰ বিভিন্ন দেশৰ নাগৰিকৰ মাজৰ পৰা নিয়োগ কৰা হয়। কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত তেওঁলোকৰ দক্ষতা, পাৰদৰ্শিতা তথা সততাৰ ওপৰত গুৰুত্ব দিয়া হয়। তদুপৰি সচিবালয়ৰ কৰ্মচাৰী হিচাপে নিয়োগ হ'বলগীয়া লোকৰ আন্তঃৰাষ্ট্ৰীয় সমস্যা, বিশ্বৰ বিভিন্ন দেশৰ শাসন পদ্ধতি তথা কলা-সংস্কৃতিৰ ওপৰত জ্ঞান থকাটো অপৰিহাৰ্য। কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত সাধাৰণ সভাই প্ৰস্তুত কৰি দিয়া নিয়মাৱলী মানি চলা হয়।



**(খ) প্ৰশাসনীয় কাৰ্যাৱলী (Administrative function) ঃ** সচিবলায়ৰ সচিবপ্ৰধানজনৰ প্ৰশাসনীয় দায়িত্ব আছে। সচিবালয়ৰ সকলো কাম-কাজৰ ওপৰত তেওঁ সতৰ্ক দৃষ্টি ৰাখিব লাগে। সাধাৰণ সভা, নিৰাপত্তা পৰিষদ আৰু ৰাষ্ট্ৰসংঘৰ আন আন অংগ তথা সংস্থাসমূহৰ কাম-কাজৰ ওপৰতো তেওঁ চকু ৰাখিব লাগে। ৰাষ্ট্ৰসংঘৰ অধীনৰ বিভিন্ন সংগঠনৰ কৰ্মচাৰীসকলৰ ওপৰতো তেওঁ লক্ষ্য ৰাখিব লাগে। বিভিন্ন ৰাষ্ট্ৰৰ পৰা ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংগঠনলৈ অহা প্ৰতিনিধিসকলৰ যাতায়াতৰ ব্যৱস্থা, বিভিন্ন সন্মিলনৰ স্থান স্থিৰ কৰা, প্ৰয়োজনীয় নথি-পত্ৰ প্ৰস্তুত আদি সকলোবোৰ দায়িত্ব সচিবপ্ৰধানৰ ওপৰতে ন্যস্ত কৰা হৈছে। তদুপৰি বিভিন্ন ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে সভাত দিয়া ভাষণৰ অনুবাদ আৰু সেই ভাষণ নথি-পত্ৰত অন্তৰ্ভুক্ত কৰাৰ দায়িত্বত সচিবপ্ৰধানৰ ওপৰতে দিয়া হয়।

**(গ) বিভিন্ন সংগঠনৰ কামত অংশগ্ৰহণ (Participation in the works of Different Organs) ঃ** ৰাষ্ট্ৰসংঘৰ অধীনৰ বিভিন্ন সংগঠনৰ কামত সচিবপ্ৰধানে অংশগ্ৰহণ কৰিব লাগে। ৰাষ্ট্ৰসংঘৰ চনদৰ ৯৮ নং অনুচ্ছেদত উল্লেখ আছে যে সাধাৰণ সভা, নিৰাপত্তা পৰিষদ, সামাজিক আৰু অৰ্থনৈতিক পৰিষদ আৰু ন্যাসৰক্ষী পৰিষদৰ সভাত সচিবপ্ৰধান উপস্থিত থাকিব লাগে। এই সভাসমূহত সচিবপ্ৰধানৰ ওপৰত ন্যস্ত কৰা দায়িত্ব তেওঁ পালন কৰিব লাগে। তদুপৰি সাংবাদিক সন্মিলন, বিভিন্ন সংগঠনৰ সদস্যৰ উদ্দেশ্যে অনুষ্ঠিত ভোজমেল আদিত সচিবপ্ৰধান উপস্থিত থাকিব লাগে। সচিবপ্ৰধানে ৰাষ্ট্ৰসংঘৰ কাম-কাজৰ ওপৰত সাধাৰণ সভাত প্ৰতিবেদন দাখিল কৰে।

**(ঘ) প্ৰতিনিধিত্ব কৰাৰ দায়িত্ব (Representative functions) ঃ** সচিবপ্ৰধানে ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধি হিচাপে বিভিন্ন ৰাষ্ট্ৰ তথা সন্মিলন আৰু বিভিন্ন আলোচনাত অংশগ্ৰহণ কৰিব লাগে।

**(ঙ) বিভিন্ন সংগঠনৰ মাজত সমন্বয় সাধন (Co-ordination among different Organs) ঃ** সচিবপ্ৰধানৰ প্ৰধান কাম হ'ল ৰাষ্ট্ৰসংঘৰ বিভিন্ন অংগৰ মাজত সমন্বয় সাধন কৰা। ৰাষ্ট্ৰসংঘৰ অন্তৰ্গত সকলোবোৰ সংগঠনে যাতে নিজৰ কাৰ্যাৱলী সম্পন্ন কৰে তাৰ ওপৰত সচিবপ্ৰধানে সতৰ্ক দৃষ্টি ৰাখিব লাগে। তেওঁ বিভিন্ন সংগঠনৰ পৰা তথ্য-পাতি সংগ্ৰহ কৰি বিভিন্ন অংগৰ মাজত সমন্বয় সাধন আৰু সহযোগিতাৰ মনোভাবৰ সৃষ্টি কৰিব লাগে।

**(চ) চুক্তিৰ পঞ্জীয়ন (Registration of Treaties) ঃ** সচিবালয়ৰ সচিবপ্ৰধান এক প্ৰধান দায়িত্ব হ'ল ৰাষ্ট্ৰসংঘৰ সদস্যৰাষ্ট্ৰসমূহৰ মাজত স্বাক্ষৰিত কৰা বিভিন্ন চুক্তিসমূহৰ পঞ্জীয়ন কৰাটো। ৰাষ্ট্ৰসংঘৰ চনদৰ ১০২ নং অনুচ্ছেদত উল্লে

Scanned with CamScanner

কৰা হৈছে যে ৰাষ্ট্ৰসংঘৰ সদস্যৰাষ্ট্ৰই কৰা চুক্তি সচিবালয়ত পঞ্জীয়ন কৰাৰ লগতে সচিবালয়ে প্ৰকাশ কৰাৰ পাছতহে কাৰ্যকৰী হ'ব।

**(ছ) বিত্তীয় ক্ষমতা (Financial Powers) ঃ** ৰাষ্ট্ৰসংঘৰ বাজেট প্ৰস্তুত কৰা আৰু বিভিন্ন অংগলৈ অৰ্থ মঞ্জুৰি দিয়াৰ দায়িত্ব সচিবপ্ৰধানৰ হাতত অৰ্পণ কৰা হৈছে। এই বাজেট আৰু ধনৰ মঞ্জুৰি সাধাৰণ সভাই গৃহীত কৰাৰ পাছত কাৰ্যকৰী হয়। তদুপৰি বিত্তীয় নীতি ৰচনাৰ পৰা আৰম্ভ কৰি বাজেট নিয়ন্ত্ৰণলৈকে সকলো ক্ষমতা সচিবপ্ৰধানৰ থাকে।

Scanned with CamScanner